# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 28-05-2025
**Time :** 1715 HRS

*Assamese Evening Bulletin*

পঞ্চায়ত, গ্ৰামোন্নয়ন বিভাগৰ আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি চিৰাং জিলাত ৰূপায়িত হৈ থকা চৰকাৰী আঁচনিৰ কাম-কাজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। কাজলগাঁৱত থকা জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত গ্ৰামোন্নয়ন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ লগতে পৰ্যটন বিভাগৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হয়। জিলাখনত ৰূপায়ণ কৰিবলগীয়া আঁচনিসমূহৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে বিভাগীয় মুৰব্বীসকলৰ সৈতে আলোচনা কৰে। নিৰ্ধাৰিত আঁচনিসমূহৰ ৰূপায়ণ সময়মতে কৰিবলৈ তেওঁ বিভাগীয় মুৰব্বীসকলক আহ্বান জনায়। মন্ত্ৰী শ্ৰীদাসে চিৰাং জিলাত গ্ৰামোন্নয়ন বিভাগে ৰূপায়ণ কৰা কাম-কাজত সন্তুষ্টি প্ৰকাশ কৰে। লগতে তেওঁ মানস ৰাষ্ট্ৰীয় উদ্যানৰ সীমান্তৱৰ্তী পানবাৰীত পৰ্যটন বিভাগৰ দ্বাৰা নতুন প্ৰকল্প নিৰ্মাণৰ পোষকতা কৰে। আজিৰ পৰ্যালোচনা বৈঠকত কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰী, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, বিটিচিৰ উপাধ্যক্ষ অভিৰাম মহানায়কৰ লগতে চিৰাং জিলা আয়ুক্ত, গ্ৰামোন্নয়ন বিভাগৰ প্ৰকল্প সঞ্চালক, বিটিচিৰ পৰ্যটন বিভাগৰ বিষয়া, সংশ্লিষ্ট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্বামিমা জাহানে  গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে আজি শপতগ্ৰহণ কৰে। আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে-শ্বামিমা জাহানক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত  বাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল, উচ্চপদস্থ চৰকাৰী বিষয়া আৰু ভালেকেইগৰাকী জ্যেষ্ঠ অধিবক্তা উপস্থিত আছিল। উল্লেখযোগ্য যে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে পৰহি শ্বামিমা জাহানসহ ৭ গৰাকী জ্যেষ্ঠ অধিবক্তাক দেশৰ বিভিন্ন উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে নিযুক্তি দিছিল।

০০০০০০০

ধুবুৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি মেলেৰীয়া, জাপানীজ এনচেফেলাইটিছ আৰু অন্যান্য বাহকজনিত ৰোগ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিভিন্ন বাহকজনিত ৰোগ নিয়ন্ত্ৰণৰ ৰাষ্ট্ৰীয় কেন্দ্ৰৰ দ্বাৰা এই ৰোগ নিয়ন্ত্ৰণৰ বাবে লবলগীয়া পদক্ষেপ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰে। এই ৰোগ নিয়ন্ত্ৰণৰ বাবে ঔষধযুক্ত আঠুঁৱা বিতৰণৰ লগতে গ্ৰামাঞ্চলত ফগিং আৰু স্প্ৰেৰ ব্যৱস্থা কৰা হৈছে বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে। বাহকজনিত ৰোগৰ বাবে গাঁও আৰু বিদ্যালয় পৰ্যায়ত সজাগতা শিবিৰ অনুষ্ঠিত হোৱা বুলিও

কৰ্তৃপক্ষই মন্তব্য কৰে। আজিৰ এই বৈঠকত জিলা আয়ুক্ত, অতিৰিক্ত আয়ুক্তসহ মুখ্য চিকিৎসা বিষয়া, বিভিন্ন খণ্ডৰ প্ৰাথমিক স্বাস্থ্য বিষয়া প্ৰমুখ্যে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০০০০

অসম প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে পাকিস্তানৰ কোনো সংস্থাৰ সৈতে তেওঁৰ কোনো প্ৰকাৰৰ যোগাযোগ থকাৰ অভিযোগ অস্বীকাৰ কৰিছে। আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীগগৈয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত উত্থাপন কৰা অভিযোগ সম্পূৰ্ণ ভিত্তিহীন বুলি অভিহিত কৰে। গগৈয়ে অৱশ্যে কয় যে ১৪-১৫ বছৰ আগতে তেওঁৰ পত্নীয়ে এটা আন্তৰ্জাতিক স্বেচ্ছাসেৱী সংগঠনত কাম কৰাৰ সূত্ৰে তেওঁয়ো পাকিস্তান ভ্ৰমণলৈ গৈছিল। এই ভ্ৰমণ সম্পূৰ্ণ বৈধ আছিল বুলিও শ্ৰীগগৈয়ে দাবী কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে অৱশেষত গৌৰৱ গগৈয়ে পাকিস্তানলৈ যোৱা কথাটো স্বীকাৰ কৰিছে আৰু  গৌৰৱ গগৈ সম্পৰ্কত  তেওঁ ইমান দিনে কৈ অহা কথাবোৰ সত্য বুলি প্ৰমাণ কৰিব বুলি ড০ শৰ্মাই সামাজিক মাধ্যম এক্সত প্ৰকাশ কৰিছে।

০০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত অহা ১০ জুলাইৰ পৰা ২০ জুলাইলৈ গুৱাহাটীৰ চানমাৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত প্ৰথমবাৰৰ বাবে গুৱাহাটী শিশু মহোৎসৱৰ আয়োজন কৰা হৈছে। প্ৰকাশন পৰিষদৰ বামুণী মৈদামস্থিত কাৰ্যালয়ৰ সভাগৃহত এখন সংবাদমেলত সচিব প্ৰমোদ কলিতাই এই বিষয়ে প্ৰকাশ কৰে। ইতিমধ্যে ১১ দিনীয়া এই মহোৎসৱৰ কাৰ্যসূচী যুগুত কৰা হৈছে। এই অনুসৰি ১০ জুলাইৰ উদ্বোধনী অনুষ্ঠানলৈ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক আমন্ত্ৰণ কৰা হব বুলি তেওঁ জানিবলৈ দিয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ লক্ষ্যৰে মহোৎসৱৰ ভিন্ন শিতানত প্ৰতিদিনে কৰ্মশালাৰ আয়োজন কৰা হব। নৃত্য, মুকাভিনয়, চিত্ৰাংকণ,নাটক, সংগীত, যোগাসন আদি বিষয়ত কৰ্মশালা অনুষ্ঠিত হব। দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী লৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে প্ৰকাশন পৰিষদৰ ৱেবছাইটৰ পৰা প্ৰ-পত্ৰ ডাউনলোড কৰি নাইবা কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰি জমা দিব পাৰিব। কৰ্মশালাৰ উপৰি প্ৰতিদিনে সন্ধিয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে স্ব-প্ৰতিভা বিকাশৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে ১৫ জুনৰ ভিতৰত প্ৰ-পত্ৰ সংগ্ৰহ কৰি দাখিল কৰিব লাগিব।

**০০০০০০**

গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে আজি কামৰূপ জিলাৰ বকোত অঞ্চলটোৰ ৭৮টা নামঘৰলৈ আৰ্থিক অনুদান বিতৰণ কৰে। অসম দৰ্শন আঁচনিৰ অধীনত সাংসদগৰাকীয়ে আৰ্থিক অনুদান চেক প্ৰদান কৰে। ইয়াৰ পাছতে সাংসগৰাকীয়ে বকো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ইণ্ডিয়ান অইল কৰ্পোৰেচনৰ সহযোগত এটা আল্ট্ৰাছাউণ্ড মেচিন প্ৰদান কৰে।

**০০০০০০**

দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব ঋতুস্ৰাৱজনিত স্বচ্ছতা দিৱস পালন কৰা হয়। বজালী জিলাত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত নিত্যানন্দৰ বিভিন্ন বিদ্যালয়ত এই দিৱস পালন কৰা হয়। জিলাখনৰ ৰাষ্ট্ৰীয় কিশোৰ স্বাস্থ্য কাৰ্যক্ৰমৰ সহযোগিতাত আয়োজিত সজাগতা সভা তথা বিশ্ব ঋতুস্ৰাৱজনিত স্বচ্ছতা দিৱসত ঋতুস্ৰাৱক লৈ থকা অন্ধবিশ্বাস দূৰ কৰাৰ হকে ছাত্ৰীসকলক সজাগ কৰা হয়। ভৱানীপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত আয়ুষ্মান আৰোগ্য মন্দিৰসমূহতো এই দিৱস পালন কৰা হয়। কামৰূপ জিলাৰ দমদমাত এই উপলক্ষে সজাগতা সভা অনুষ্ঠিত হয়।

oooooo

সমাপ্ত